# বিশিষ্ট নাটকৰ্মী দুদাল ৰয়ৰ দৃষ্টিত 'হনুমান সাগৰ বান্ধা চাঁউ'

জীৱিত পৰম্পৰাক সজাই পৰাই দহৰ আগত তুলি ধৰাটোহে হৈছে সচেতন ব্যক্তিৰ ধৰ্ম। নতুন সত্যক উপলব্ধি কৰা, চকু-কাণ সজাগ ৰখা আৰু মগজুক কৰ্ম ব্যস্ততাৰ মাজত জাগ্ৰত কৰি প্ৰকাশ কৰিব বিচৰাটো প্ৰকৃত নাট্যকৰ্মীৰ উদ্দেশ্য। বৰ্তমান সময়ত ভাৰতৰ অন্যান্য প্ৰান্তত চলাৰ দৰেই অসমতো নাটকে বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে খোজ পেলাইছে। এইটো এটা সুস্থ প্ৰচেষ্টাহে, কিন্তু ইয়াক আত্মসন্তুষ্টি আৰু পূৰ্ণতাপ্ৰাপ্তি বুলি ক'ব খোজা নাই।

প্ৰকৃত থিয়েটাৰ কি তাৰ উত্তৰো একেষাৰত দিয়া কঠিন কাম যদিও থিয়েটাৰক ঠন ধৰি থিয় কৰাই ৰাখিবলৈ হ'লে তাক প্ৰথমতে গতি সাব্যস্ত কৰি তুলিব লাগিব। অভিনেতা, ৰঙ্গমঞ্চত দৰ্শকৰ প্ৰতি সজাগ দৃষ্টি ৰাখিব পাৰিলেহে নাটৰ সফল চৰ্চা সম্ভৱ হ'ব পাৰে। ৰঙ্গমঞ্চক চকুৰ আগত ৰাখি নাটকৰ বিষয়-বস্তুৰ কল্পনা, ৰচনা আৰু উপস্থাপন কৰিলে সফলতা অৰ্জন কৰিব পাৰি। মঞ্চত প্ৰদৰ্শন কৰাৰ ওপৰত নাটকৰ সফলতা বা বিফলতা নিৰ্ভৰ কৰে। নাট্যকাৰ নিজে এজন অভিনেতা, নিৰ্দেশক বাবে নাটকখন লিখাৰ সময়ত প্ৰতিটো মুহূৰ্তত মঞ্চ, অভিনেতা আৰু দশকৰ প্ৰতি সচেতন। নাট্যকাৰ কোনো ধৰণৰ থিয়ৰি বা শুদ্ধ ব্যাকৰণৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা নাই,মাথো বিশেষ কৌশলৰ বাবেহে যেন জাগ্ৰত। 'হনুমান সাগৰ বান্ধা চাঁউ'ত লোক ধাৰা আৰু পৰম্পৰাৰ আচল অৰ্থ আছে নে নাই সেই সম্পৰ্কে দৰ্শকে বা পাণ্ডুলিপি অৱস্থাত পঢ়ুৱৈয়ে অতি সহজে পাবলৈ বাধ্য। নাট্যকাৰে জনগণৰ সৈতে সম্বন্ধ থকা গীত-মাতকে নাটখনিত ব্যৱহাৰ

কৰিছে। অকল সংলাপ সমৃদ্ধ নকৰি গীতকো নাটখনিত প্ৰাধান্য দিয়া হৈছে। মানুহৰ চিন্তা চৰ্চাৰ পৰিৱৰ্তনৰ লগে লগে নাটকৰ উপস্থাপন, ৰচনাৰীতি আদিৰো পৰিৱৰ্তন হয় আৰু এই পৰিৱৰ্তনৰ বাবে শাস্ত্ৰ বা ব্যাকৰণৰ প্ৰয়োজন নহয়। নগৰ, গাঁও সকলোতে এনে নাটকৰ জন্ম হ'ব পাৰে আৰু এক কথাত ক'বলৈ হ'লে 'হনমান সাগৰ বান্ধা চাঁউ' সমকালীন নাটকৰ অনুসন্ধানৰ বাটত পদক্ষেপ লোৱা সকলৰ ভিতৰৰে অন্যতম বুলি ক'ব লাগিব। বহুতো ক'ব খোজে নাটখন লোক নাটক নে লোক নাটকৰ আৰ্হিত সামাজিক নাটক? **আচলতে 'হনুমান সাগৰ বান্ধা চাঁউ' এখন সুন্দৰ লোক নাট। এক সৰ্ব্বজনীন সমস্যাৰ উত্তোৰনৰ হেতু চহৰে-নগৰে মঞ্চস্থ হ'ব পৰাকৈ যেন এই নাটৰ সৃষ্টি হৈছে। নাটৰ ভাষা, অৰ্থ Universal।** বৰপেটাৰ থিয় নামে নাটখনত এক বিশেষ ভূমিকা লাভ কৰিছে। থিয় নামে চৰিত্ৰৰ ভূমিকা লৈ সমগ্ৰ নাটখনিত সূত্ৰ ধৰা আৰু নাটৰ ছন্দ সক্ৰিয় কৰি প্ৰবল গতিশীলতাৰ সৃষ্টি কৰা কাৰ্য নাট্যকাৰৰ বাবে এক সফল প্ৰচেষ্টা। বৰপেটা অঞ্চলৰ থলুৱা বিয়া গীতৰ ব্যৱহাৰ নাটখনৰ এক উপভোগ্য সম্বল। লোকধাৰাক এলাগী দৃষ্টিভংগীৰে নলৈ সম্ভাব্য সৃজনাত্মক গতিশলতাৰে যৌতুক প্ৰথাক বিষয় বস্তু হিচাপে গ্ৰহণ কৰি যি নাট্য বস্তুৰ সৃষ্টি কৰিলে সেয়া অসমীয়া মৌলিক নাট্য সাহিত্যত এক উৎকৃষ্ট বৰঙণি। আপাত দৃষ্টিত বিষয় বস্তুটো অসম মাতৃভূমিত দেখিবলৈ নেপালেও দেশভিত্তিত যৌতুক প্ৰথাৰ প্ৰাৱল্যৰ কথা উপলব্ধি কৰিয়ে নাট্যকাৰে 'হনুমান সাগৰ বান্ধা চাঁউ' ৰচনা কৰিছে। বিষয় বস্তুৰ বাচনি, বিভিন্ন প্ৰশ্নৰ অৱতাৰণা, প্ৰতিবাদ, ব্যাখ্যা সমালোচনা, অন্তৰ্নিহিত অৰ্থৰ আৱিষ্কাৰ, সামাজিক, অৰ্থনৈতিক, ৰাজনীতি আদি সকলো দিশ সামৰিবলৈ চেষ্টা কৰিছে আৰু নাৰী মুক্তিৰ বাবে কৰা মুক্ত শ্লোগানৰ মুহূৰ্ত্তই নাটকৰ স্বকীয়তা ৰক্ষা কৰিব পাৰিছে বুলি ধাৰণা হয়। সম্পূৰ্ণৰূপে অসমীয়া মূলৰ পৰিচয় ইয়াত পোৱা যায়। অসমীয়া মূল বোলোতে লোকশৈলী বা লোক ধৰ্মীয়তাৰ সৃজনাশীল প্ৰয়োগ হোৱা বুলি আমি ধাৰণা কৰিব পাৰো।

নাট্যকৰৰ এই নতুন চিন্তা, নতুনত্ব; আৱিষ্কাৰ আৰু নতুন আঙ্গিক প্ৰয়োগত এক নতুন সোৱাদ পোৱা যায়। নাট্যকাৰ শ্ৰীমান দাসৰ 'হনুমান

সাগৰ বান্ধা চাঁউ' অসমীয়া নাট্য সাহিত্যৰ বাবে এক অনুসন্ধান নাটত, য'ত বিষয় বস্তু, আঙ্গিক, উপস্থাপন আৰু সকলো চৰিত্ৰই স্ত্ৰীচৰিত্ৰ।

এই প্ৰচেষ্টাই অসমৰ ৰঙ্গমঞ্চক সমৃদ্ধ কৰাত কিছু হ'লেও অৰিহণা যোগাইছে। নাৰীৰ আশা-আকাংক্ষা, নাৰীৰ প্ৰতি থকা সামাজিক অনুশাসন, নাৰীৰ প্ৰতি পুৰুষৰ যুগ যুগ ধৰি চলি অহা ব্যৱহাৰ, নাৰীৰ স্থিতি আদি এশ এটা সমস্যাৰ ভিতৰৰে যৌতুক প্ৰথাক স্ত্ৰীচৰিত্ৰৰ দ্বাৰা অভিনয় কৰি সুন্দৰভৱে দাঙি ধৰা কাৰ্য উজু নহয়।

নাটখন লিখাৰ আগমুহূৰ্তত সম্ভৱত নাট্যকাৰৰ সন্মুখত তিনিটা মূল উদ্দেশ্যই ক্ৰিয়া কৰি আছিল। যেনে— লোক ধাৰা, নাৰী মুক্তি (যৌতুক প্ৰথা) আৰু মহিলা শিল্পীৰ সমস্যা। ইতিমধ্যে প্ৰথম দুটা সমস্যাৰ বিষয়ে থুলমূলকৈ আলোকপাত কৰা হৈছে। তৃতীয়টো সমস্যা অসমৰ মঞ্চত অভিনয় কৰিবলৈ আগবাঢ়ি অহা প্ৰতিভাশালিনী মহিলাৰ অভাৱ। যিসকল আগবাঢ়ি আহে তেওঁলোকৰ দুই একৰ বাহিৰে সৰহ ভাগে প্ৰতিভা হীন; তথাপিও নাটকৰ প্ৰয়োজনৰ খাতিৰত অভিনয় কৰিবলৈ আগবাঢ়ি যায়। ফলত নাটক বেয়া হয় আৰু নাট্যকাৰৰ বক্তব্য বিপৰীতমুখী হ'বলৈ বাধ্য, সাধাৰণতেই আমাৰ নাটকবোৰত নাৰী চৰিত্ৰ সমূহে গতানুগতিক ধাৰা মানি চলিব লাগে। যেনে— নাৰী মানে স্নেহশীলা মাতৃ, সুযোগ্য গৃহিণী, অভিমানিনী, আদৰৰ পালিতা, প্ৰেমিকা, খলনায়িকা ইত্যাদি। কিন্তু গতানুগতিক ধাৰাৰ মাজেৰে গৈয়ো নাট্যকাৰে নাৰী চৰিত্ৰসমূহক পূৰ্ণ শিল্পী সত্তা এটা পোৱাৰ সুযোগ এই নাটকত দিছে। প্ৰতিগৰকী নাৰী চৰিত্ৰৰ মাজেদি নাট্যকাৰে তেওঁলোকৰ মাজত সোমাই থকা শিল্পী সত্তাটোক জাগ্ৰত কৰি গীত, নৃত্য আৰু নাট্য অভিনয়ৰ প্ৰকাশ কৰাত সফল হৈছে। পূৰ্ণ প্ৰকাশৰ বাবে প্ৰতি গৰাকী শিল্পীয়ে এটা অভূতপূৰ্ব সুযোগ পাইছে।

মোৰ বিশ্বাস 'হনুমান সাগৰ বান্ধা চাঁউ' নাটকখনিয়ে অসমৰ নাট্য সাহিত্যৰ অভাৱ কিছু হ'লেও দূৰ কৰিব লগতে উপস্থাপন, অভিনয় আদি দিশতো নাটখনিয়ে যথেষ্ট সহায় কৰিব। পৰম্পৰাক জীয়াই ৰখাৰ বাবে শ্ৰীমান দাসে যি কাম হাতত ল'লে সেয়া সঁচাকৈয়ে শলাগিবলগীয়া। থিয়

নাম, বিয়া নাম আদি লোকগীতক অসমীয়া নাটকত চৰিত্ৰ হিচাপে স্থান দিয়াৰ ক্ষেত্ৰত শ্ৰীমান দাসৰ বৰঙণি উল্লেখনীয়।

'হনুমান সাগৰ বান্ধা চাঁউ' ৰাইজে গ্ৰহণ কৰিব আৰু নাট্যকৰ্মী সমাজে ইয়াৰ গুৰুত্ব বুজি মঞ্চস্থ কৰিব। শেষত এটা কথাৰে মই মোৰ পাতনি সামৰিব বিচাৰিছোঁ— 'নাৰীৰ শোভা অলংকাৰত হোৱা দৰেই নাটকৰ শোভা মঞ্চত।' সেয়ে মঞ্চায়নৰ মাধ্যমেৰে ইয়াক উপলব্ধি কৰিবলৈ সকলো আগবাঢ়ি আহক।

ৰবীন্দ্ৰ ভৱন
গুৱাহাটী

দুদাল ৰয়
৩১-৩-৯৫